# যান-জঁটৰ প্ৰদূষণ

**যান-জঁট।** আধুনিক কৰ্মব্যস্ত মানুহৰ বাবে এই শব্দ বিভীষিকা স্বৰূপ। আধুনিক জীৱন সময়কো চেৰ পেলাই আগবাঢ়ি যোৱাৰ প্ৰতিযোগিতাত ব্যস্ত। কালৈকো এখন্তেক ৰ'বলৈ কাৰো আহৰি নাই। এখন্তেক বিলম্বন মানেই প্ৰতিযোগিতাত নিজৰ স্থান হেৰুওৱা। এনে দ্ৰুত জীৱন-যাত্ৰাত যান-জঁট শব্দটো সঁচাকৈয়ে আহুকলীয়া যেন অনুভৱ হয়। যেন এক অনাহুত অতিথি, এক অহৈতুক উৎকণ্ঠা, এক অনাহক উত্তেজনা। কিন্তু অবাঞ্ছিত হ'লেও সকলোৱে ভোগ কৰিব লগীয়া হৈছে এই বিৰক্তিদায়ক অভিজ্ঞতা, অস্বস্তিকৰ ইয়াৰ অস্তিত্ব। কিন্তু ইয়াৰ অস্তিত্ব কেৱল মানসিক স্তৰতেই সীমাবদ্ধনে? কিছুদিন আগলৈকে অৱশ্যে তেনেকৈয়ে ভবা হৈছিল। এই সম্পৰ্কে হোৱা বিস্তৃত গৱেষণাই ইয়াৰ কেতবোৰ নতুন দিশ উন্মোচিত কৰিছে, যি ভৱিষ্যৎ মানৱ প্ৰজাতিৰ বাবে সঁচাকৈয়ে চিন্তনীয় বিষয়।

যান-জঁটৰ প্ৰধান কাৰণ হিচাপে চিহ্নিত কৰিব পাৰি অপৰিকল্পিতভাৱে নিৰ্মাণ কৰা বাট-পথবোৰ। তাৰ লগতে ট্ৰেফিক আইন ভঙ্গ কৰা গাড়ীৰ চালক বা কৰ্তব্যৰ প্ৰতি অমনোযোগী, অসাৱধান যান-বাহন নিয়ন্ত্ৰণকাৰী বিষয়াসকল। যান-জঁট মানেই একোটা অঞ্চলত আৱদ্ধ হৈ পৰে যথেষ্ট সংখ্যক গাড়ী-মটৰ, যাৰ পৰা নিৰ্গত ধোঁৱাই প্ৰদূষিত কৰি তোলে ওচৰ-পাজৰৰ বায়ুমণ্ডল। বায়ু প্ৰদূষণৰ ফলত হ'বপৰা সম্ভাব্য বিপদৰ কথা আজিকালি মোটামুটি সকলোৱেই অৱগত। গতিকে বায়ু প্ৰদূষণ ৰোধ কৰাৰ বাবে চৰকাৰী কৰ্তৃপক্ষই হওক বা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনবোৰেই হওক, সকলোৱে প্ৰয়োজনীয় সচেতনতা প্ৰকাশ কৰি আহিছে। বায়ু প্ৰদূষিত কৰিব পৰা বিভিন্ন কাৰকবোৰৰ ওপৰত যথেষ্ট বাধা নিষেধ বা নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বায়ু প্ৰদূষিত কৰিব পৰা কল-কাৰখানা সমূহ জনবসতিপূৰ্ণ অঞ্চলৰ পৰা আঁতৰত, নিৰাপদ স্থানত স্থাপন কৰাত গুৰুত্ব প্ৰদান কৰা হৈছে আৰু সেইবোৰৰ পৰা হ'ব পৰা প্ৰদূষণৰ মাত্ৰা যিমান পাৰি কম কৰিবলৈ সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এনেধৰণৰ সাৱধানতা অৱলম্বন কৰি আমি নিৰাপদ স্থানত অৱস্থান কৰি থকা বুলি ভবাৰ মুহূৰ্ততে সংগোপনে যান-জঁটৰ পৰা হোৱা বায়ু প্ৰদূষণে আমাৰ বহুতৰ অজ্ঞাতে আমাৰ স্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। নষ্ট কৰি পেলাইছে অঞ্চল বিশেষৰ স্বাভাৱিক পৰিৱেশ। আৰু ইয়াৰ বলি হ'বলগীয়া হৈছে প্ৰধানকৈ ডাঙৰ ডাঙৰ চহৰ তথা মহানগৰ সমূহ।

যানজঁটৰ বাবে আবদ্ধ হৈ পৰা গাড়ী-মটৰ সমূহৰ অনবৰতে নিৰ্গত হৈ থকা ধোঁৱাত মিহলি হৈ থাকে হাইড্ৰ'কাৰ্বন, কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰ'জেন অক্সাইড আৰু ছালফাৰ, যিয়ে এচিড বৰষুণ তথা গ্ল'বেল ওৰ্বামিঙৰ দৰে সমস্যাৰ সৃষ্টিত অৰিহণা যোগায়। প্ৰত্যক্ষভাৱে যিসকলে এই ধোঁৱা সেৱন কৰে, তেওঁলোকে কিড্‌নী, লিভাৰ, গাঁঠিৰ বিষ আদি বিভিন্ন ৰোগত পৰাৰ সম্ভাৱনা দেখা যায়। তদুপৰি ইয়াৰ কৱলত পৰা লোকে তাৎক্ষণিকভাৱে চকুৰ পোৰণি হৈ ৰঙা পৰা, ডিঙিৰ সমস্যা আৰু হাওঁফাওঁৰ অসুবিধা আদি ভোগ কৰিবলগীয়া হ'ব পাৰে।

মানুহৰ বাদেও যান-জঁট সৃষ্টি হোৱা ঠাইৰ ওচৰ-পাজৰৰ গছ-গছনিবোৰো ইয়াৰ বিনাশকাৰী প্ৰভাৱত পৰিবলগীয়া হয়। যান-জঁট সৃষ্ট প্ৰদূষণ সেইবোৰৰ সুস্থ বৃদ্ধিৰ অন্তৰায় হোৱাৰ লগতে সিহঁতৰ উৎপাদন ক্ষমতাৰ ক্ষেত্ৰতো প্ৰতি বন্ধকতাৰ সৃষ্টি কৰে। গাড়ীৰ ইন্ধনৰ দহনৰ ফলত যি পৰিমাণৰ কাৰ্বন-ডাই-অক্সাইড উৎপন্ন হয়, সি সেই অঞ্চলৰ উষ্ণতা বৃদ্ধিৰ লগতে পৃথিৱীৰ ক্ৰমবৰ্দ্ধমান উষ্ণতাৰ দ্ৰুত বৃদ্ধিতো অৰিহণা যোগায়। তদুপৰি ইন্ধনৰ দহনৰ ফলত সৃষ্টি হোৱা গেছ'লিন আৰু হাইড্ৰ-কাৰ্বনে পৃথিৱীৰ অ'জন স্তৰটোৰ যথেষ্ট ক্ষতি-সাধন কৰে।

যান-জঁটত আৱদ্ধ হৈ পৰাটো হাওঁফাওঁ বা হৃদৰোগীসকলৰ বাবে অতি বিপদজনক বুলি পৰিগণিত হৈছে। যান-বাহনৰ ধোঁৱাই সৃষ্টি কৰা প্ৰদূষণৰ খুব খৰতকীয়া প্ৰভাৱ এওঁলোকৰ ওপৰত পৰে। সেয়েহে দীঘলীয়া সময়ৰ বাবে সৃষ্টি হোৱা যান-জঁটে এওঁলোকক খুব কম সময়ৰ ভিতৰতে অসুস্থ কৰি তোলাৰ সম্ভাৱনা থাকে। ইয়াতকৈও মাৰাত্মক কথাটো হ'ল মটৰ গাড়ীৰ ইঞ্জিনৰ পৰা নিৰ্গত ধোঁৱাত মিহলি হৈ থকা কাৰ্বন-ডাই-অক্সাইড আৰু লিডৰ সংমিশ্ৰণে শুক্ৰাণুৰ গঠন প্ৰক্ৰিয়াত বাধা জন্মাই এগৰাকী পুৰুষৰ সন্তান জন্ম দিয়াৰ ক্ষমতা নাইকিয়া বা হ্ৰাস কৰিব পাৰে। এই প্ৰভাৱ যুৱক বা মধ্যবয়সীয়া পুৰুষসকলৰ মাজত বেছি দেখা যায়।

■ জিতুমণি পাঠক